# একবিংশ শতিকাৰ অসমীয়া উপন্যাস





সম্পাদক
জয়ন্ত দত্ত
গীতাশ্ৰী শইকীয়া



Scanned with OKEN Scanner

**Exobinxo Xatikar Axomiya Upanyax :** A comprehensive volume of literary critical essays on twenty-first century Assamese novels, edited by **Jayanta Dutta,** Ph.D. Scholar, Deptt. of MIL & LS, Gauhati University & **Gitashree Saikia,** Ph.D.Scholar, Deptt of Assamese, Cotton University

Published by **Nitul Neog** on behalf of M/s **Assam Book Trust,** Panbazar, Jaswanta Road, Guwahati-1, Assam.

**First Edition : January, 2020**

**Price : Rs. 900/-**

**ISBN : 978-93-89196-13-9**

© All rights reserved. No part of this book may be reprinted or reproduced or utilized in any form or by any electronic, mechanical or other means now known or hereafter invented, including, photocopying and recording, or in any information storage or retrieval system, without permission in writing from the editors.

প্ৰকাশক : নিতুল নেওগ, অসম বুক ট্ৰাষ্ট

মাৰ্কেট কম্ফৰ্ট, যশোৱন্ত ৰোড,

পাণবজাৰ, গুৱাহাটী-১, (অসম)

বেটুপাত : ড° হেমন্ত শইকীয়া,

অক্ষৰ বিন্যাস : জুবী ঢেকীয়াল ফুকন

প্ৰথম প্ৰকাশ : জানুৱাৰী, ২০২০

মুদ্ৰক : এড'ৰ গ্ৰাফিক্স গুৱাহাটী-২৪

মূল্য : ৯০০.০০ টকা

Scanned with OKEN Scanner

৪৮। ৰুমী লস্কৰ বৰাৰ 'কালাগ্নি' ড° নমিতা ডেকা/৬১৪-৬২০
৪৯। জুৰী বৰা বৰগোহাঞিৰ 'নাংফা' মনচুমি বৰা/৬২১-৬২৭
৫০। তুলিকা শইকীয়াৰ 'চাৰিশাল গোঁসানীৰ তেজ' জয়ন্ত দত্ত/৬২৮-৬৩৬
৫১। জুৰি শইকীয়াৰ 'সৌমাৰ নন্দিনী' কিশোৰ কুমাৰ শইকীয়া/৬৩৭-৬৪১
৫২। কাব্যশ্ৰী মহন্তৰ 'কানুৰ আকাশ কানুৰ পৃথিৱী' গীতাশ্ৰী শইকীয়া/৬৪২-৬৫০
৫৩। ৰূপলেখা দেৱীৰ 'অন্যত্ৰ বিৰলা দেৱী' ময়ুৰী বৰা/৬৫১-৬৫৪
৫৪। প্ৰশান্ত কুমাৰ দাসৰ 'নীল তমালৰ ৰ'দ' বিতোপন দাস/৬৫৫-৬৫৮
৫৫। কুসুমাঞ্জলী শৰ্মাৰ 'অন্য আকাশ' সুকন্যা হাজৰিকা/৬৫৯-৬৬৩
৫৬। অৰ্পণা গোস্বামীৰ 'নীলা নৈ' ড° সূৰ্য দাস/৬৬৪-৬৬৮
৫৭। আৰাধনা পটংগীয়া গোস্বামীৰ 'আগবাৰীত ফুলিলে সোণে মোৰ চম্পা' গীতা বৰুৱা/৬৬৯-৬৭১
৫৮। পল্লৱী ডেকা বুজবৰবৰুৱাৰ 'কৃষ্ণ পৃথিৱীৰ কৃষ্ণপ্ৰিয়া' ড° লিপিমণি দত্ত/৬৭২-৬৭৩
৫৯। মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে' ড° লিপিমণি দত্ত/৬৭৪-৬৭৮
৬০। ৰশ্মিৰেখা ভূঞাৰ 'জিগলো' ড° বিনীতা বৰা দেৱচৌধুৰী/৬৭৯-৬৮৫
৬১। শৰ্মিষ্ঠা প্ৰীতমৰ 'বলুকাত বিয়লি বেলা' জয়ন্ত দত্ত/৬৮৬-৬৯০
৬২। দীপ্তি দত্ত কলিতাৰ 'সোণৰ ৰজা' ড° বিনীতা বৰা দেৱচৌধুৰী/৬৯১-৬৯৯
৬৩। প্ৰাৰ্থনা শইকীয়াৰ 'জঁটাধাৰী' গায়ত্ৰী খাৰঘৰিয়া/৭০০-৭০৪
৬৪। অপৰাজিতা বৰুৱাৰ 'অগনি কালিকাঃ যুদ্ধবন্দীৰ কলিজাৰ জুইফুল' ড° জ্যোতিৰ্ময়ী ভট্টাচাৰ্য/৭০৫-৭১২
৬৫। নম্ৰতা দত্তৰ 'এগৰাকী নাৰীৰ স্বামী বন্ধু প্ৰেম আৰু যন্ত্ৰণাৰ আত্মকথন' গীতালী শইকীয়া/৭১৩-৭১৭
৬৬। সমুজ্জ্বল শইকীয়াৰ 'এন. এল. কলেজ' বিতু বড়া/৭১৮-৭২১
৬৭। বাবুল তামুলীৰ 'এটি কলি দুটি পাত' ড° বিনীতা পাঠক/৭২২-৭২৭
◆ লেখক পৰিচিতি ৭২৮-৭৩০

# প্ৰাৰ্থনা শইকীয়াৰ 'জঁটাধাৰী' উপন্যাস— এক আলোচনা

গায়ত্ৰী খাৰঘৰীয়া

অসমীয়া উপন্যাস সাহিত্য জগতত নব্য সংযোজিত এক নাম হ'ল প্ৰাৰ্থনা শইকীয়া। ব্যতিক্ৰমী ভাব-চিন্তাৰে, নিজস্ব বৰ্ণনা শৈলীৰে তথা চমৎকাৰী উপস্থাপন শৈলীৰে পাঠকৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা প্ৰাৰ্থনা শইকীয়া গুৱাহাটী আই আই টিৰ এগৰাকী গৱেষক। বিভিন্ন আলোচনীৰ পাতত গল্প-উপন্যাস প্ৰকাশেৰে সাহিত্যৰ বাটত বাট বোলা প্ৰাৰ্থনা শইকীয়াৰ দুখন প্ৰকাশিত উপন্যাস হ'ল 'প্লেটফৰ্মত এতিয়া কোনো নাই' আৰু 'জঁটাধাৰী'। 'জঁটাধাৰী' উপন্যাসৰ বাবে তেওঁ ২০১৬ চনৰ সাহিত্য অকাডেমীৰ যুৱ পুৰস্কাৰ লাভ কৰিছিল।

'জঁটাধাৰী' এখন ব্যতিক্ৰম ভাব চিন্তাৰে সমৃদ্ধ উপন্যাস। ক'ব পাৰি অগতানুগতিক বিষয়বস্তুৰ আকৰ্ষণীয় উপস্থাপনেৰে এক নতুন ধৰণৰ উপন্যাস 'জঁটাধাৰী'। উপন্যাসখনৰ প্ৰতিখিলা পাততে কিবা এটা নতুন পোৱাৰ উৎসুকতা, কৌতুহল আৰু অনুসন্ধান আছে। কাহিনীৰ ক্ষেত্ৰত ক'ব লাগিব যে অতীত-বৰ্তমানৰ লগত থকা এক অদ্ভুত যোগসূত্ৰই দোমোজাৰ সৃষ্টি কৰিছে বহু সময়ত। তাৰ লগতে সামঞ্জস্য ৰাখি প্ৰকাশ কৰা ৰাজনীতিৰ কুটিল সময়বোৰৰ বৰ্ণনাই উপন্যাসখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। শিৱৰ প্ৰতীকী উপস্থাপন উপন্যাসখনৰ অন্য এটা আকৰ্ষণীয় দিশ। উপন্যাসখন একেৰাহে পঢ়ি থাকিলে এটা স্পষ্ট ধাৰণা আহে যে, সভ্যতাৰ আৰম্ভণিৰে পৰা চলি অহা পুঁজিবাদী ৰাজনীতিৰ চমৎকাৰী সোঁত এটি উপন্যাসখনৰ মাজত প্ৰকাশিত হৈ আছে। অনুসূচীত জাতিৰ মানুহবোৰ, দলিতসকল যুগ যুগ ধৰি কেনেধৰণৰ সামাজিক-অৰ্থনৈতিক ৰাজনৈতিক শোষণৰ বলি হৈ আহিছে তাৰ দলিল 'জঁটাধাৰী' উপন্যাসখন।

শৈৱ-চিন্তা, শৈৱ-ধাৰণাক মূল হিচাপে লৈ ৰচনা কৰা জঁটাধাৰী উপন্যাসখনত আছে অতীত-বৰ্তমান আৰু ভৱিষ্যতৰ একো একোখন আলো-ছায়াৰ ছবি। পুৰাকথা

Scanned with OKEN Scanner